# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 21-06-2026

**Time :** 18-45 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ চলিত বৰ্ষৰ নীট ইউ জিৰ পুনৰ পৰীক্ষা সুকলমে সম্পন্ন।

২। দেশৰ বিভিন্ন ৰাজ্যৰ লগতে অসমতো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন। গুৱাহাটীত ৰাজ্য চৰকাৰৰ মূল কাৰ্যসূচীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ অংশগ্ৰহণ।

৩। শক্তিপীঠ কামাখ্যা দেৱালয়ত কাইলৈৰ পৰা অম্বুবাচী মেলা। দেশ বিদেশৰ সাধু সন্যাসী আৰু ভক্তিপ্ৰাণ ৰাইজক আদৰিবলৈ প্ৰশাসন তথা মন্দিৰ পৰিচালনা সমিতিৰ ব্যাপক প্ৰস্তুতি।

৪। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি স্পেইন - ছৌদি আৰবৰ খেল। **আৰু**

৪। মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত- দক্ষিণ আফ্ৰিকাৰ মুখামুখি।

০০০০

চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ চলিত বৰ্ষৰ নীট ইউজি পৰীক্ষা আজি পুনৰ সম্পন্ন হয়। দেশৰ ৫৫১ খন আৰু বিদেশৰ ১৪ খন চহৰত অনুষ্ঠিত এই পৰীক্ষাত অৱতীৰ্ণ হোৱা পৰীক্ষাৰ্থীৰ সংখ্যা ২২ লাখ ৭৯ হাজাৰ। দেশৰ আন বিভিন্ন ৰাজ্যৰ লগতে অসমতো মুঠ ৮৭ টা পৰীক্ষাকেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হয়।

উল্লেখযোগ্য যে পৰীক্ষাৰ পূৰ্বে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই জেমাৰ, চিচি টিভি আৰু বায়'মেট্ৰিক্স ব্যৱস্থাৰ কাৰ্যকাৰিতা পৰীক্ষাৰ বাবে কালি দেশজুৰি মকড্ৰিল বা আখৰাৰ আয়োজন কৰে। কেন্দ্ৰীয় চৰকাৰৰ তথ্য অনুসৰি প্ৰশ্নকাকত আৰু প্ৰশ্নোত্তৰ বহী সুৰক্ষা কৰি ৰখা প্ৰক্ৰিয়াটোত অৰ্ধসামৰিক বাহিনীক নিয়োজিত কৰা হৈছে। ইয়াৰ উপৰি সামাজিক মাধ্যমৰ গতিবিধি লক্ষ্য কৰাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ তদাৰক সমিতিও গঠন কৰা হৈছে।

০০০০

শক্তিপীঠ কামাখ্যা দেৱালয়ত কাইলৈৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে কাইলৈ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচী মেলা উপলক্ষে দেশ-বিদেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সাধু-সন্যাসী তথা ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটা পৰিলক্ষিত হৈছে।

(বাইট)

গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভীৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফচিকুনতাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাৰ চাফচিকুনতা নিশ্চিত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এই সন্দৰ্ভত স্বেচ্ছাসেৱী সংগঠনৰ এগৰাকী বিষয়ববীয়াই এইদৰে কয়-

(বাইট)

০০০০

দেশ বিদেশত আজি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হয়। দেশৰ আন বিভিন্ন ৰাজ্যৰ লগতে অসমতো আজি যোগ দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্ট উদ্যানত আজি পুৱা আয়োজিত ৰাজ্য চৰকাৰৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্য মন্ত্ৰী অশোক সিংহল আৰু পৰ্যটন মন্ত্ৰী অজন্তা নেওগে ভাগ লয়। অনুষ্ঠানত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

ধুবুৰী জিলাৰ শ্ৰী গুৰু টেগ বাহাদুৰ চাহেবজিত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। অনুষ্ঠানত গোলকগঞ্জৰ বিধায়ক তথা সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী অশ্বিনী ৰায় চৰকাৰ উপস্থিত থাকে। নিয়মিত যোগাভ্যাসেৰে সকলোকে বিভিন্ন ৰোগৰ পৰা মুক্ত হৈ থাকিবলৈ সকলোকে আহ্বান জনায়।

শ্ৰীভূমি জিলাৰ কৰিমগঞ্জ আভ্যন্তৰিণ জল পৰিৱহন টাৰ্মিনেলত আজি জিলা প্ৰশাসন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, NHM আৰু আয়ুষ বিভাগৰ যৌথ উদ্যোগত যোগ দিৱস পালন কৰা হয়।ৰাজ্য চৰকাৰৰ মন্ত্ৰী কৃষেন্দু পাল এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই কাৰ্যসূচীত জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদী, আৰক্ষী অধীক্ষক লীনা দলেকে ধৰি বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী তথা স্থানীয় ৰাইজে সহযোগিতা আগবঢ়ায়।

লখিমপুৰ ইণ্ডোৰ ষ্টেডিয়ামতো আজি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত লখিমপুৰ লোক সভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই অংশগ্ৰহণ কৰে।

দৰং জিলাতো আজি যোগ দিৱসৰ কাৰ্যসূচী ৰূপায়ন কৰা হয়। যোগ দিৱসৰ সৈতে সংগতি ৰাখি জিলাখনৰ খাৰুপেতীয়া জৈন যুৱক পৰিষদৰ উদ্যোগত আৰু মঙলদৈ অসামৰিক চিকিৎসালয় কৰ্তৃপক্ষৰ সহযোগত জৈন ভৱনত স্বেচ্ছামূলক ৰক্তদান শিবিৰ আৰু সজাগতা সভা অনুষ্ঠিত হয়। এই কাৰ্যসূচীত ৩৫ জনতকৈ অধিক লোকে ৰক্তদান কৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ২৩ হাজাৰৰো অধিক গাঁৱৰ ৩৭ হাজাৰ ৩৮৩ টা স্থানতল আজি যোগাভ্যাসৰ অনুষ্ঠান সম্পন্ন হয়। এই অনুষ্ঠানত আত্মসহায়ক গোটৰ ৩২ লাখৰো অধিক সদস্যাই অংশগ্ৰহণ কৰে।

০০০০

শক্তিপীঠ কামাখ্যা দেৱালয়ত কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া অম্বুবাচী মেলা উপলক্ষে মহানগৰীৰ উপ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ৰ তৰফৰ পৰা সাধাৰণ নাগৰিকৰ যাতায়াত সন্দৰ্ভত কিছু নীতি-নিৰ্দেশনা জাৰি কৰা হৈছে। ভক্তসকল, বিশেষকৈ শিশু, শিক্ষাৰ্থী, মহিলা, জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলকে ধৰি জনসাধাৰণৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশনা জাৰি কৰা হৈছে। তদুপৰি বিদ্যালয়লৈ আহ-যাহ কৰা বাহন, অগ্নিনিৰ্বাপক বাহিনীৰ লগতে এম্বুলেন্সকে ধৰি জৰুৰীকালীন বাহনসমূহৰ সুচল আহ-যাহ সুনিশ্চিত কৰাৰ প্ৰতি বিশেষ গুৰুত্ব

আৰোপ কৰা হৈছে। কাইলৈৰ পৰা ২৬ জুনলৈকে  জৰুৰীকালিন বাহনসমূহৰ বাহিৰে আন বাহনসমূহ মন্দিৰৰ পাদদেশৰ পৰা মূল মন্দিৰলৈ যোৱাত নিষেধাজ্ঞা জাৰি কৰা হৈছে। অৱশ্যে নিশা এঘাৰ বজাৰ পৰা পুৱা ৫ বজালৈ পানীৰ যোগানকে ধৰি আৱশ্যকীয় খাদ্য সামগ্ৰী বা অন্যান্য সম্ভাৰ যোগান ধৰা বাহনসমূহ মন্দিৰলৈ যাব পাৰিব। জিলা প্ৰশাসনৰ বিশেষ অনুমতি থকা বাহনসমূহ বংশীবাগানৰ মাজেৰে পাণ্ডু মন্দিৰ ঘাটৰ পৰা মন্দিৰলৈ যাব পাৰিব। কামাখ্যা মন্দিৰত কৰ্তব্যত মোতায়েন কৰা সকলো চৰকাৰী বিষয়া কৰ্মচাৰীক সোনাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত গোট খাবলৈ এই বিজ্ঞপ্তিযোগে কোৱা হৈছে। তাৰ পৰা পাণ্ডু বন্দৰ পথেৰে জিলা প্ৰশাসনৰ বিশেষ বাহনৰ  জৰিয়তে তেওঁলোকক কৰ্তব্য স্থানলৈ লৈ যোৱা হ'ব। জালুকবাৰীৰ দিশৰ পৰা ভক্তসকলক কঢ়িয়াই লৈ অহা বাহনসমূহ নীলাচল উৰণ সেঁতুৰ চাৰ্ভিচ লেনেৰে গৈ উত্তৰ পূৰ সীমান্ত ৰে'লৱেৰ মুখ্য কাৰ্যালয়ৰ ৩ নম্বৰ গেটত নামিব পাৰিব। তাৰ পৰা এই বাহনসমূহ নিলাচল উৰণ সেঁতুৰ তলেৰে ঘুৰি আদাবাৰী বাছষ্টেণ্ড তথা বৰিপাৰা পথাৰত থকা বিশেষ বাহন ৰখা স্থানত ৰব পাৰিব। আনহাতে, ভৰলুমুখৰ দিশৰ পৰা দৰ্শনাৰ্থী কঢ়িয়াই অনা বাহনসমূহেও নীলাচল উৰণ সেতুৰ চাৰ্ভিচ লেনেৰে আহি স্বাগত চিকিৎসালয়ৰ বিপৰীতে থকা উত্তৰ-পূৰ সীমান্ত ৰে'লৱেৰ মুখ্য কাৰ্যালয়ৰ ৪ নম্বৰ গেটত যাত্ৰীসকলক নমাই পোনে পোনে যান বাহন ৰখা ঠাইলৈ যাব পাৰিব। অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনৰ সকলো বাছ, ছিটি বাছ তথা ব্যক্তিগত বাহনসমূহে নীলাচল উৰণ সেঁতুৰ ওপৰেৰে আহ-যাহ কৰিব লাগিব। অৱশ্যে স্থানীয় অধিবাসীসকলক এই নিয়মৰ পৰা আতৰত ৰখা হ'ব। জালুকবাৰীৰ দিশৰ পৰা যাত্ৰী কঢ়িয়াই অনা ছিটি বাছসমূহে যাত্ৰীসকলক বৰিপাৰা পুলিচ পইণ্ট অথবা বিশ্বকৰ্মা মন্দিৰত নমাব পাৰিব। আনহাতে, ভৰলুমুখৰ দিশৰ পৰা যাত্ৰী কঢ়িয়াই অনা ছিটি বাছসমূহে যাত্ৰীসকল টেক্সিষ্টেণ্ড অথবা বৰিপাৰা পুলিচ পইণ্টৰ  বিপৰীত দিশে নমাব পাৰিব। নীলাচল উৰণ সেতুৰ দুয়োমুৰে ছিটিবাছ ৰবৈল দিয়া নহ'ব। ব্যক্তিগত বাহনেৰে কামাখ্যা মন্দিৰলৈ অহা ভক্তসকলক তেওঁলোকৰ বাহনসমূহ আদাবাৰী বাছষ্টেণ্ড, বৰিপাৰা পথাৰ, আই টি এ মাছখোৱা, এ এছ টি ছি পাৰ্কিং মাছখোৱা অথবা ইদগাহ ময়দানত থব পাৰিব। অম্বুবাচী মহাযোগৰ এই সময়ছোৱা পুৱা ৫ বজাৰ পৰা নিশা এঘাৰ বজাৰ ভিতৰত ৩ চকীয়া বা তাতকৈ বৃহৎ বাণিজ্যিক সামগ্ৰী পৰিবাহী বাহনসমূহ জালুকবাৰী ৰটাৰীৰ পৰা মাছখোৱালৈ অহাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ডি জি ৰোড, এম জি ৰোড আৰু এ টি ৰোডেৰে কোনো আন্তঃজিলা পৰিবহন অথবা দীৰ্ঘদূৰত্বৰ পৰিবহনৰ বাছ অহাতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত কৃষি, জলসিঞ্চন, জলসম্পদ বিভাগৰ বিষয়ববীয়াকলৰ সৈতে বাজেট প্ৰস্তুতিমূলক এখন বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যজুৰি জলসম্পদ ব্যৱস্থাপনা শক্তিশালী কৰাৰ লগতে  জলসিঞ্চনৰ সুবিধা ত্বৰান্বিত কৰাৰ উপৰি কৃষি পাম সমূহৰ উৎপাদনশীলতা বৃদ্ধি কৰাৰ উদ্দেশ্যে প্ৰস্তাৱিত কেইবাটাও পদক্ষেপ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে ৰাজ্যৰ প্ৰগতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে ৰাজহুৱা তথা ব্যক্তিগত খণ্ডৰ মিত্ৰতা আগুৱাই নিয়া সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত বিকশিত অসম, ২০৪৭ ৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে গ্ৰহণ কৰিবলগীয়া বিত্তীয় পথসমূহ আলোচনা কৰা হয়। তদুপৰি আন্তঃগাথনি উন্নয়নৰ লগতে বিনিয়োগ চালিত  প্ৰগতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। এই বৈঠকত চিকিৎসা তথা নাৰ্ছিং মহাবিদ্যালয়সমূহৰ প্ৰগতি পৰ্যালোচনা কৰা হয় বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে। তেঁও কয় যে এই

বৈঠকত সংশ্লিষ্ট বিষয়াসকলৰ লগত পাম্পদ্ ভড়াল প্ৰকল্পকে ধৰি শক্তি আন্তঃগাথনিৰ বিভিন্ন দিশ আলোচনা কৰা হয়।

০০০০

অসম আৰু উত্তৰ পূৰ্বাঞ্চলত সুলভ তথা সহজলভ্য আৰু মানসম্পন্ন কৰ্কট চিকিৎসা সুনিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি দোহাঁৰি আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। লোকসেৱা ভৱনত অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ পৰিচালনা সমিতিৰ সভাত ভাগ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সমগ্ৰ ৰাজ্যৰ কৰ্কট চিকিৎসা আৰু চিকিৎসালয়সমূহৰ সেৱাৰ অগ্ৰগতি সম্পৰ্কে পৰ্যালোচনা কৰে। সভাত নাৰ্চিং শিক্ষা, দক্ষতা বিকাশ আৰু সামূহিক সজাগতা কাৰ্যসূচীৰ অগ্ৰগতি সম্পৰ্কেও আলোচনা কৰা হয়। কৰ্কট চিকিৎসাৰ আন্তঃগাঁঠনি আৰু চিকিৎসা পদ্ধতিৰ উৎকৰ্ষ সাধন সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে আলোচনা কৰাৰ লগতে স্বাস্থ্য সেৱা খণ্ডৰ কৰ্মীসকলক অধিক সেৱা আগবঢ়োৱা আৰু ৰোগী সেৱাৰ মান উন্নীতকৰণত গুৰুত্ব আৰোপ কৰে। জিলা পৰ্যায়ত ধপাতজনিত কৰ্কট ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত সচেতনতা বৃদ্ধিৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হয়।

০০০০

ৰাজ্যৰ পৰ্যটন খণ্ডৰ বাবে সুখবৰ কঢ়িয়াই ইউৰোপীয় সংঘই অসম ভ্ৰমণৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞা আনুষ্ঠানিকভাৱে প্ৰত্যাহাৰ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই বিষয়ে অৱগত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতত নিযুক্ত ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূত হাৰ্ভে ডেলফিনে ৰাজ্যৰ মুখ্য সচিবক এই সিদ্ধান্তৰ বিষয়ে অৱগত কৰিছে। উল্লেখযোগ্য যে এই সিদ্ধান্তৰ ফলত ইউৰোপীয় সংঘৰ ২৭ খন দেশৰ নাগৰিকে এতিয়াৰে পৰা অসম ভ্ৰমণ কৰিব পাৰিব। অৱশ্যে সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন বাহাল থকা চৰাইদেউ, তিনিচুকীয়া আৰু শিৱসাগৰ জিলাৰ ক্ষেত্ৰত এই সুবিধা প্ৰযোজ্য নহ'ব। মুখ্যমন্ত্ৰীয়ে কয়, যে দ্বিতীয় পৰ্যায়ৰ এডভাণ্টেজ অসমৰ পিছৰে পৰা ৰাজ্য চৰকাৰে বিদেশী দূতাবাসৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছিল। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়া আৰু জাপানেও অসম ভ্ৰমণৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা উঠাই লৈছিল। আনহাতে আমেৰিকা আৰু কানাডায়ো যাতে অনুৰূপ পদক্ষেপ গ্ৰহণ কৰে সেই উদ্দেশ্যে ৰাজ্য চৰকাৰে চেষ্টা অব্যাহত ৰখা বুলি তেওঁ উল্লেখ কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি যোৰহাটৰ ঐতিহ্যমণ্ডিত তৰাজান সন্মিলনত অংশগ্ৰহণ কৰে। সন্মিলনত উপস্থিত হৈ তৰাজান নাট্য মন্দিৰ প্ৰেক্ষাগৃহৰ উন্নয়নৰ বাবে তেওঁ সাংসদ পুঁজিৰ পৰা ১ কোটি টকাৰ অনুদান আগবঢ়ায়। সন্মিলনৰ বিষয়ববীয়াসকলে মন্ত্ৰীগৰাকীয়ে আগবঢ়োৱা এই অনুদানৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে।

০০০০

বিশ্ব মটৰ চাইকেল দিৱসৰ সৈতে সংগতি ৰাখি দেশৰ আন বিভিন্ন স্থানৰ লগতে ধেমাজিতো আজি সুকীয়া কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই দিৱস উপলক্ষে দা এম ই এন এম চি ক্লাবে ধেমাজিত পথ সজাগতা তথা দুৰ্ঘটনা ৰোধৰ উদ্দেশ্যে মটৰ চাইকেল আৰোহীক বিনামূলীয়াকৈ হেলমেট বিতৰণ কৰে। আয়োজক প্ৰতিষ্ঠানটোৰ উদ্যোগত

তথা জিলা পৰিবহন বিভাগ আৰু আৰক্ষীৰ যান বাহন শাখাৰ সহযোগত ধেমাজি সদৰত আয়োজন কৰা এই কাৰ্যসূচীত হেলমেট পৰিধান নকৰা মটৰ চাইকেল চালক আৰু আৰোহীসকলক একোটা হেলমেট প্ৰদান কৰা হয়।

0000

বৈজ্ঞানিক আৰু পৰিবেশ বিষয়ক গৱেষণা সংস্থা ভইছ্ অন  এনভাইৰণমেণ্টে নিকা সেউজ অভিযান আৰু পৰিবেশ অনুকুল ঐতিহ্যময় বিশেষ স্থান সম্পৰ্কীয় পদক্ষেপকে ধৰি বিভিন্ন ইতিবাচক কাম-কাজ বাহাল ৰাখিছে। মহানগৰীৰ কামাখ্যা মন্দিৰ প্ৰাঙ্গনত সংগঠনটোৰ নিকা তথা এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিকৰ আৱৰ্জনামুক্ত কৰি পৰিবেশ অনুকুল বাতাবৰণ ঢ়ি তোলাৰ উদ্দেশ্যে এটা বিশেষ অভিযান মুকলি কৰা হয়। এই সন্দৰ্ভত সংগঠনটোৱে কামাখ্যা দেবোত্তৰ বোৰ্ডৰ সৈতে বিগত ১০ বছৰ ধৰি এখন বুজাবুজিৰ চুক্তিৰ জৰিয়তে কাম কৰি আহিছে। এই পদক্ষেপৰ জৰিয়তে মন্দিৰ দৰ্শনাৰ্থী, স্থানীয়, বিক্ৰেতা, মন্দিৰৰ পুজাৰী, ভক্ত তথা সাধুসকলৰ মাজত নিলাচল পাহাৰৰ ঐশ্বৰ্য্যশালী জৈৱ বৈচিত্ৰ আৰু মন্দিৰ প্ৰাঙ্গনত উপযুক্ত তথা সঠিক অনাময় ব্যৱস্থা বাহাল ৰাখি এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিকৰ সামগ্ৰীসমূহ এৰাই চলা সন্দৰ্ভত সজাগতা সৃষ্টি কৰিবলৈ প্ৰয়াস কৰা হৈছে।

0000

ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি প্ৰস্তাৱিত নগাওঁ বিশ্ববিদ্যালয়ৰ বাবে ভূমি পৰিদৰ্শন কৰে। এই পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে স্থানীয় বিধায়ক ৰূপক শৰ্মাৰ লগতে নগাওঁ জিলাৰ ৰাজহ বিভাগৰ বিষয়াসকলে সংগ দিয়ে।

0000

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি গ্ৰুপ এই চৰ এখন খেলত স্পেইন ছৌদি আৰবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত আৰম্ভ হ'ব। ইপিনে গ্ৰুপ এফৰ এখন খেলত আজি জাপানে টিউনিচিয়াৰ বিৰুদ্ধে ৪-০ গ'লৰ ব্যৱধানত জয়লাভ কৰে।

কানাডাৰ টৰ'ণ্টত অনুষ্ঠিত আন এখন খেলত জাৰ্মানীয়ে আইভৰি কষ্টক ২-১ গ'লত পৰাস্ত কৰি নকআউট পৰ্যায়ত স্থান নিশ্চিত কৰে। খেলখনত জাৰ্মানীৰ হৈ ডেনিজ উণ্ডাভেই দুয়োটা গ'ল দিয়ে। ইপিনে ইকুৱেডৰ আৰু কুৰাচাঅ'ৰ মাজত কানছাছত অনুষ্ঠিত খেলখন গ'ল শূন্যভাৱে অমিমাংসীত হৈ ৰয়।

0000

ইংলেণ্ডত চলি থকা আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি মানচেষ্টাৰত হ'বলগীয়া এখন খেলত ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে অপৰাজেয় ভাৰতীয় মহিলা দলে প্ৰথম দুখন খেলত জয়েৰে পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আছে।

0000

ঃঃ সমাপ্ত ঃঃ